**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-12-2024 **Time :** 0900 Hrs.

***Assamese Morning Bulletin***

১। অসমক দেশৰ বিভিন্ন গুৰুত্বপূৰ্ণ স্থানৰ সৈতে দ্ৰুতগামী ৰে'লেৰে সংযোগ দিয়াবলৈ মুখ্যমন্ত্ৰীৰ ৰে'ল মন্ত্ৰীক আহ্বান।

২। গুৱাহাটী ৰিং ৰোড, কাজিৰঙা কৰিডৰ আৰু গহপুৰ নুমলীগড় সংযোগী সুৰংগ পথৰ বাবে ভূমি অধিগ্ৰহণ শীঘ্ৰে আৰম্ভ হ'ব বুলি নতুন দিল্লীত মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৩। বাংলাদেশত সংখ্যালঘু হিন্দু আৰু হিন্দু ধৰ্মগুৰুৰ ওপৰত আক্ৰমণৰ বিৰুদ্ধে অসমতো প্ৰতিবাদ অব্যাহত।

৪। মহাৰাষ্ট্ৰত আজি বিয়লি বিজেপি বিধায়িনী দলৰ নৱনিৰ্বাচিত নেতাগৰাকীৰ নতুন মুখ্যমন্ত্ৰীৰূপে শপতগ্ৰহণ।

***আৰু***

৫। অসম সাহিত্য সভাৰ বিষয়ববীয়া নিৰ্বাচনৰ ভোটগ্ৰহণৰ আজি অন্তিম দিনা বিভিন্ন শাখা সাহিত্য সভাত ব্যস্ততা অব্যাহত।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমক দেশৰ বিভিন্ন গুৰুত্বপূৰ্ণ স্থানৰ সৈতে দ্ৰুতগামী ৰে'লেৰে সংযোগ দিয়াবলৈ ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱক অনুৰোধ জনাইছে। কালি নতুন দিল্লীৰ সংসদ ভৱনত থকা ৰে'ল মন্ত্ৰীৰ কাৰ্যালয়ত মুখ্যমন্ত্ৰী ড০ শৰ্মাই অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰি ৰাজ্যখনৰ ৰে'ল যোগাযোগ ব্যৱস্থা সম্পৰ্কে বিশদভাৱে আলোচনা কৰে আৰু ৰে'ল বিভাগৰ বিভিন্ন আঁচনি ৰূপায়ণৰ কাম ত্বৰান্বিত কৰিবলৈ ৰে'ল মন্ত্ৰীগৰাকীক অনুৰোধ জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰে'ল মন্ত্ৰী বৈষ্ণৱক অহা ফেব্ৰুৱাৰী মাহত হ'বলগীয়া এডভাণ্টেজ আছাম চামিতলৈকো আমন্ত্ৰণ জনায়।

০০০০০০০

অসমৰ প্ৰাচীনতম ৰে'ল ষ্টেচন - ডিব্ৰুগড় টাউন ৰে'ল ষ্টেচনটো উঠাই দিয়াৰ পৰিকল্পনা সন্দৰ্ভত কালি উত্তৰ-পূব সীমান্ত ৰে'ল কৰ্তৃপক্ষই ডিব্ৰুগড়ত এখন বৈঠকৰ আয়োজন কৰে। ডিব্ৰুগড় জিলা প্ৰশাসন, ডিব্ৰুগড় পৌৰ নিগম আৰু ডিব্ৰুগড়ৰ কেইবাগৰাকীও নেতৃস্থানীয় লোকে অংশগ্ৰহণ কৰা এই বৈঠকত ৰে'ল কৰ্তৃপক্ষই ডিব্ৰুগড়ৰ বাণীপুৰত থকা ডিব্ৰুগড় ষ্টেচনটোৱে বৰ্তমান ইয়াৰ সামৰ্থ্যতকৈ বহু বেছি ৰে'লগাড়ীৰ বোজা বহন কৰিব লগা হৈছে বুলি প্ৰকাশ কৰে। ডিব্ৰুগড়ৰ কেইবাগৰাকীও নেতৃস্থানীয় ব্যক্তিয়ে ডিব্ৰুগড় ৰে'ল ষ্টেচনৰ বোজা কমোৱাৰ বাবে ভালেকেইখন ৰে'লগাড়ী পুৰণি ডিব্ৰুগড় টাউন ৰে'ল ষ্টেচনৰ পৰা চলোৱাৰ পৰামৰ্শ দিয়ে। ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, মেয়ৰ ড০ সৈকত পাত্ৰ আৰু ডিব্ৰুগড়ৰ জিলা প্ৰশাসনৰ বিষয়াৰ উপস্থিতিত হোৱা এই বৈঠকত উত্তৰ-পূব সীমান্ত ৰে'লৱেই গুৱাহাটী আৰু ডিব্ৰুগড়ৰ মাজত চলাচল কৰা শতাব্দী এক্সপ্ৰেছ ৰে'লগাড়ীখন অহা এপ্ৰিল মাহৰ পৰা পুনৰ প্ৰৱৰ্তন কৰা হ'ব বুলি সদৰি কৰে। সকলো ঠিকে

থাকিলে গুৱাহাটী আৰু ডিব্ৰুগড়ৰ মাজত অচিৰেই বন্দে ভাৰত ৰে'লগাড়ীৰ চলাচলো আৰম্ভ হ'ব বুলি বৈঠকত ৰে'ল বিভাগৰ বিষয়াসকলে প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে ৰূপায়ণ কৰিবলৈ লোৱা গুৱাহাটী ৰিং ৰোড, কাজিৰঙা এলিভেটেড কৰিড'ৰ আৰু গহপুৰ-নুমলীগড়ৰ পানীৰ তলৰ সুৰঙ্গ পথ নিৰ্মাণৰ বাবে শীঘ্ৰেই ভূমি অধিগ্ৰহণ আৰু যাৱতীয় কামসমূহ সম্পূৰ্ণ কৰা হ'ব। কালি নতুন দিল্লীত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে অনুষ্ঠিত এখন বৈঠকত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে এই সন্দৰ্ভত কয়, যে ৰাজ্য চৰকাৰে পূৰ্বে দিয়া প্ৰস্তাৱক মান্যতা প্ৰদান কৰি ৰাষ্ট্ৰীয় ঘাইপথৰ যোৰহাট-ডিব্ৰুগড় সম্প্ৰসাৰিত অংশৰ কামৰ গতি এতিয়া ক্ষীপ্ৰ কৰা হৈছে। তদুপৰি যোৰহাটৰ মাজুলী সংযোগী দলংখনৰ নিৰ্মাণকাৰ্য পুনৰ আৰম্ভ কৰাৰ বাবে আলোচনাকালত সিদ্ধান্ত গ্ৰহণ কৰা হয়। কালিৰ বৈঠকত ৰাজ্যত চলি থকা ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম আৰু ৰাষ্ট্ৰীয় ঘাইপথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ প্ৰকল্পসমূহৰ বিষয়েও পৰ্যালোচনা কৰা হয়।

মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ সৈতে আন এক আলোচনাত মিলিত হৈ উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ৰ দ্বাৰা আয়োজিত অষ্টলক্ষ্মী মহোৎসৱ আৰু ৰাজ্যত চলিত উন্নয়নমূলক প্ৰকল্পৰ সৈতে সম্পৰ্কিত বিষয় সন্দৰ্ভত আলোচনা কৰে। আলোচনা কালত মন্ত্ৰীগৰাকীক অহা ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সন্মিলনলৈ আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰী তথা ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় অধ্যক্ষ জে পি নাড্ডাকো সাক্ষাৎ কৰে।

০০০০০০০

বাংলাদেশত চলি থকা সংখ্যালঘু হিন্দুৰ ওপৰত আক্ৰমণ আৰু হিন্দু ধৰ্মগুৰুৰ নিৰ্যাতনৰ বিৰুদ্ধে কালি ৰাজ্যখনৰ বিভিন্ন ঠাইত ভিন ভিন দল-সংগঠনৰ উদ্যোগত প্ৰতিবাদ সাব্যস্ত কৰা হয়। আমাৰ শ্ৰীভূমি, বৰপেটা, ধুবুৰী, দৰং আৰু শিৱসাগৰৰ সংবাদদাতা কেইগৰাকীয়ে জনোৱা মতে প্ৰতিবাদকাৰীসকলে বাংলাদেশৰ তত্বাৱধায়ক চৰকাৰৰ মুৰব্বী মহম্মদ ইউনুছৰ বিৰুদ্ধে ধ্বনি দি উত্তাল প্ৰতিবাদ কৰে আৰু বাংলাদেশৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ দাবী জনায়।

ইপিনে, পৰহি আগৰতলাত বাংলাদেশৰ উপ-উচ্চায়ুক্তৰ কাৰ্যালয় লণ্ড-ভণ্ড কৰা ঘটনা সম্পৰ্কত আগৰতলা আৰক্ষীয়ে সাতজন লোকক গ্ৰেপ্তাৰ কৰিছে আৰু কৰ্তব্যত অৱহেলা কৰাৰ অভিযোগত এগৰাকী এচিষ্টেণ্ট কমাণ্ডেণ্টকে ধৰি সাতজন আৰক্ষীৰ লোকক নিলম্বিত কৰিছে। বাংলাদেশে ইতিমধ্যে ঢাকাস্থিত ভাৰতীয় উচ্চায়ুক্ত প্ৰণয় বাৰ্মাক দেশখনৰ বিদেশ মন্ত্ৰালয়লৈ মাতি নি আগৰতলাৰ ঘটনা সম্পৰ্কত দেশখনৰ আনুষ্ঠানিক প্ৰতিবাদ সাব্যস্ত কৰিছে আৰু ভাৰতত থকা সকলো কূটনৈতিক কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰী আৰু সা-সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ আহ্বান জনাইছে।

বিশ্বৰ বিভিন্ন দেশে তেওঁলোকৰ নাগৰিকসকলক বাংলাদেশ ভ্ৰমণৰ পৰা বিৰত থাকিবলৈ পৰামৰ্শ দিছে। ইংলেণ্ড চৰকাৰে কালি জাৰি কৰা এটা নিৰ্দেশত সেই দেশৰ নাগৰিকসকলক বাংলাদেশৰ বৰ্তমান পৰিস্থিতিত দেশখন ভ্ৰমণ নকৰিবলৈ পৰামৰ্শ দিছে। দেশখনৰ বৈদেশিক আৰু কমনৱেলথ পৰিক্ৰমা বিভাগে বাংলাদেশত

সন্ত্ৰাসবাদী শক্তিসমূহে বিশেষকৈ বিদেশী নাগৰিকৰ সমাৱেশ হোৱা ঠাইসমূহত যধে-মধে আক্ৰমণ চলোৱাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰিছে আৰু ইংলেণ্ডৰ পৰ্যটকসকলক বাংলাদেশ ভ্ৰমণ পৰিহাৰ কৰিবলৈ পৰামৰ্শ দিছে।

০০০০০০০

মহাৰাষ্ট্ৰত নৱনিৰ্বাচিত বিজেপি বিধায়িনী দল আজি মুম্বাইত মিলিত হ'ব আৰু বিধায়িনী দলৰ নতুন নেতা নিৰ্বাচন কৰিব। দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই ইতিমধ্যে দলটোৰ জ্যেষ্ঠ নেতা তথা বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমন আৰু গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীক আজিৰ এই বৈঠকৰ বাবে হাইকামাণ্ডৰ পৰ্যবেক্ষক ৰূপে নিযুক্ত কৰিছে। মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বিদায়ী মন্ত্ৰীসভাৰ উপ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছ বিধায়িনী দলৰ নতুন নেতা নিৰ্বাচিত হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে বুলি পৰ্যবেক্ষকসকলে ধাৰণা কৰিছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে, যে বিজেপি বিধায়িনী দলৰ নৱনিৰ্বাচিত নেতাগৰাকীয়ে আজি বিয়লি ৫ বজাত মুম্বাইৰ আজাদ ময়দানত আয়োজিত অনুষ্ঠানত ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰীৰূপে শপতগ্ৰহণ কৰিব। শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীও উপস্থিত থাকিব। উল্লেখযোগ্য যে, সদ্যসমাপ্ত মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টী নেতৃত্বাধীন মহাযুটী মৰ্চাই দুই তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা অৰ্জন কৰিছিল আৰু বিজেপিয়ে বিধানসভাৰ সৰ্বাধিক আসনত জয় লাভ কৰিছিল।

০০০০০০০

অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ বিষয়ববীয়া নিৰ্বাচনৰ ভোটগ্ৰহণৰ আজি অন্তিম দিনা বিভিন্ন শাখা সাহিত্য সভাত ব্যস্ততা অব্যাহত আছে। যোৱা ২১ নৱেম্বৰৰ পৰা চলা ভোটদান প্ৰক্ৰিয়া শেষ হোৱাৰ পাছত কাইলৈ পুৱা ১০ বজাত বেলট বাকচ বন্ধ কৰা হ'ব। সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাই জানিবলৈ দিয়া অনুসৰি বেলট বাকচসমূহ বন্ধ কৰাৰ পাছত মেঘদূত ভৱনত ৰখা হ'ব। অহা ২৯ ডিচেম্বৰত ভোটগণনা অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ নিৰ্বাচনৰ বাবে সভাপতি পদত ড০ বসন্ত কুমাৰ গোস্বামী আৰু ড০ উপেন ৰাভা হাকাচাম, উপ-সভাপতি পদত পদুম ৰাজখোৱা, ডা০ বিপিন কলিতা, ছহিৰ ভূঞা আৰু প্ৰধান সম্পাদক পদত অজিৎ প্ৰসাদ শৰ্মা, দেৱজিৎ বৰা আৰু ড০ সঞ্জীৱ কুমাৰ শৰ্মাই প্ৰতিদ্বন্দ্বিতা কৰিছে। এইবাৰ মুঠ ৮৪৯ খন জিলা আৰু শাখাই ভোটদানৰ অধিকাৰ লাভ কৰিছে। ৰাজ্যৰ বিভিন্ন স্থানৰ শাখাসমূহৰ লগতে দিল্লী, মুম্বাই, কলকাতা, আহমেদাবাদ আদিত থকা সভাৰ শাখাসমূহেও ইতিমধ্যে ভোটদান কৰিছে বুলি সাহিত্য সভাৰ সূত্ৰই প্ৰকাশ কৰিছে। এই নিৰ্বাচন সন্দৰ্ভত অসম সাহিত্য সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাই এনেদৰে কয়- **বাইট (ড০ সূৰ্যকান্ত হাজৰিকা)**

০০০০০০০

গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান অৰ্থাৎ আই আই টিত চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত দশম ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱৰ কালি সামৰণি পৰে। সামৰণি অনুষ্ঠানত ৰাজ্য চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী কেশৱ মহন্তই ভাষণ দিয়ে। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে কয়, যে এই মহোৎসৱে বিজ্ঞানক জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। তেওঁ কয়, যে ৰাজ্যখনৰ প্ৰতিটো উন্নয়ন খণ্ডক সামৰি ২১৯টা বিজ্ঞান কেন্দ্ৰ স্থাপনৰ পাছত এতিয়া প্ৰতিখন জিলাতে বিজ্ঞান কেন্দ্ৰ স্থাপনৰ

ব্যৱস্থা কৰা হৈছে। এনে পাঁচটা কেন্দ্ৰ ইতিমধ্যে কাৰ্যক্ষম হৈছে আৰু ১৭টা নিৰ্মীয়মান অৱস্থাত আছে বুলি তেওঁ উল্লেখ কৰে। এই অনুষ্ঠানতে মহোৎসৱৰ বিভিন্ন শিতানৰ পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। ইয়াৰে বিজ্ঞান, প্ৰযুক্তিবিদ্যা, প্ৰতিৰক্ষা আৰু মহাকাশ প্ৰদৰ্শনী শিতানত বড়োলেণ্ড বিশ্ববিদ্যালয়, অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ আৰু ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদে জুৰীৰ বিশেষ বঁটা লাভ কৰে। অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগ তথা আই আই টি, গুৱাহাটীয়েও এই অনুষ্ঠানত বঁটা লাভ কৰে। উল্লেখযোগ্য যে এই অনুষ্ঠানত ইছৰ'ৰ অধ্যক্ষ ড০ এছ সোমনাথকে ধৰি দেশৰ আগশাৰীৰ কেইবাগৰাকী বিজ্ঞানীয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

অহা ৮ ডিচেম্বৰৰ পৰা ১০ ডিচেম্বৰলৈ সমগ্ৰ দেশৰ লগতে অসমতো ৰাষ্ট্ৰীয় প্ৰতিষেধক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। দেশৰ ২৩৪খন জিলাত ৰূপায়ণ হ'বলগীয়া এই ৰাষ্ট্ৰীয় কাৰ্যসূচীত অসমৰ ২৭খন জিলাক সামৰি লোৱা হৈছে। এই তিনিদিনীয়া অভিযান কালত পূৰ্বৰ পাল্চ পোলিঅ' অভিযান কালত বাদ পৰি যোৱা ৫ বছৰৰ তলৰ সকলো শিশুকে পোলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। ৮ ডিচেম্বৰত প্ৰতিষেধক প্ৰদান কেন্দ্ৰত এই পোলিঅ' প্ৰতিষেধক পালি খুওৱা হ'ব। ইয়াৰ পৰা বাদ পৰি যোৱা শিশুসকলক ৯ আৰু ১০ ডিচেম্বৰত স্বাস্থ্য কৰ্মীয়ে ঘৰে ঘৰে গৈ পোলিঅ' প্ৰতিষেধক প্ৰদান কৰিব।

০০০০০০০

২০২১ চনত সংঘটিত এটা হত্যাৰ আক্ৰমণৰ ঘটনা সম্পৰ্কত হাইলাকান্দি জিলা আৰু ছেছন আদালতে কালি ফাৰুক আহমেদ বৰভূঞা নামৰ এজন লোকক ১০ বছৰ সশ্ৰম কাৰাদণ্ড আৰু ৫ হাজাৰ টকাৰ জৰিমনা বিহিছে। দক্ষিণ হাইলাকান্দিৰ ৰামনাথপুৰ থানাৰ অন্তৰ্গত জামিৰা গাঁৱত ২০২১ চনৰ ২৪ অক্টোবৰত অভিযুক্ত ফাৰুকে তেওঁৰ জ্যেষ্ঠ ভাতৃ নুৰ আহমেদ বৰভূঞাক পাৰিবাৰিক কলহৰ বাবে চোকা দাৰে ঘপিয়াই হত্যা কৰাৰ চেষ্টা চলায়। এই আক্ৰমণত নুৰ আহমেদ গুৰুতৰভাৱে আহত হয়। ন্যায়াধীশ ছৈয়দ ইমদাদুৰ ৰহমানে বাদী-বিবাদী পক্ষৰ জবানবন্দী, সাক্ষ্য প্ৰমাণ আৰু দুয়োপক্ষৰ অধিবক্তাৰ যুক্তি শুনাৰ পাছত অভিযুক্ত ফাৰুকক দোষী সাব্যস্ত কৰি এই শাস্তি ঘোষণা কৰে।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত বিভিন্ন বাতৰিয়ে স্থান পোৱা দৃষ্টিগোচৰ হৈছে। সমাগত পঞ্চায়ত আৰু স্বায়িত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে অগপ আৰু বিজেপি দলৰ মাজৰ মিত্ৰতা ৰাজ্যিক পৰ্যায়ৰ পৰিৱৰ্তে বিধানসভা সমষ্টিভিত্তিক হ'ব বুলি এটা বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত বিস্তৃতভাৱে প্ৰকাশ কৰিছে। বাতৰিটোত উল্লেখ কৰা অনুসৰি অগপৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত এই বিষয়ে বিষদ আলোচনা কৰা হৈছে।

অসমীয়া প্ৰতিদিন কাকতে বিত্তীয় প্ৰতিষ্ঠানৰ চাকৰি থলুৱা শিক্ষিত নিবনুৱাক বঞ্চনাৰ কৰাৰ বাতৰি প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। অসমসহ উত্তৰ পূবত ৬০০ জুনিয়ৰ এছ'ছিয়েট পদৰ ৩৬০ পদতে বহিঃৰাজ্যৰ প্ৰাৰ্থীক নিযুক্তি দিয়াৰ কথাও বাতৰিটোত তথ্য সহকাৰে উল্লেখ কৰা হৈছে।

গুৱাহাটীৰ এইমছত এতিয়ালৈকে ছটা গুৰুত্বপূৰ্ণ বিভাগ আৰম্ভ নোহোৱাৰ বাতৰি দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আমাৰ অসম কাকতে ২০২৫ বৰ্ষৰ ৮ ছেপ্তেম্বৰৰ পৰা ২০২৬ৰ ৮ ছেপ্তেম্বৰলৈ ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে উদযাপন কৰিবলৈ লোৱা সুধাকণ্ঠৰ জন্ম শতবৰ্ষৰ বিশেষ অনুষ্ঠান অৰুণাচলৰ পৰা আৰম্ভ হ'ব বুলি এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যৰ শিক্ষাৰ্থীৰ বিজ্ঞান মানসিকতাৰ উত্তোৰণৰ বাবে অসমত ১৭টা বিজ্ঞানকেন্দ্ৰ স্থাপন হ'ব বুলি মন্ত্ৰী কেশৱ মহন্তই আগবঢ়োৱা এটা মন্তব্যৰ বাতৰি অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে আই আই টি গুৱাহাটীত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱত মন্ত্ৰীগৰাকীয়ে এই কথা উল্লেখ কৰিছে।

কামৰূপ মহানগৰৰ ১৬ খন সংৰক্ষিত বনাঞ্চলৰ বৃহৎ অংশ বেদখলৰ কবলত থকা বুলি দৈনিক অগ্ৰদূত কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

নিয়মীয়া বাৰ্তা কাকতখনে নতুন ৰূপ পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি প্ৰকাশ হোৱা বাতৰিটো প্ৰথম পৃষ্ঠাত বিস্তৃতভাৱে প্ৰকাশ কৰিছে। বাতৰিটোত উল্লেখ কৰা অনুসৰি নতুন ব্যৱস্থামতে ৱাৰ্ড মেম্বাৰহে এতিয়াৰে পৰা পঞ্চায়ত সভাপতি নিৰ্বাচন কৰিব পাৰিব। লগতে বেলট পেপাৰত অনুষ্ঠিত হ'বলগা নিৰ্বাচনত কোনো দলীয় প্ৰতীক নাথাকিব।

ভাৰত আৰু চীনৰ মাজত বাকী থকা সীমা সমস্যাৰ সমাধান সূত্ৰ বিচাৰি ভাৰতে চীনক তিনিটা নীতি বান্ধি দিয়াৰ বাতি দি আছাম ট্ৰিবিউন কাকতে মুখ্য বাতৰি হিচাপে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ কেইটিমান বাতৰি। এতিয়া আমি পুনৰ উভতি আহিছো অৰুণিমা গোস্বামীৰ ওচৰলৈ ।

oooooooo

স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব ড০ এম আৰিজ আহমেদে কালি হাটশিঙিমাৰীত জিলা চিকিৎসালয়খন পৰিদৰ্শন কৰে আৰু তৃতীয় স্বাস্থ্য সেৱা উৎসৱৰ মূল্যায়ন কৰে। তেওঁ ৰোগীসকলৰ সৈতেও মত-বিনিময় কৰে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মৰ্মে জিলাখন ভ্ৰমণলৈ যোৱা অতিৰিক্ত মুখ্য সচিব আহমেদে তেওঁৰ তিনিদিনীয়া ভ্ৰমণ কালত জিলাখনৰ কেইবাটাও স্বাস্থ্য সমূহীয়া স্বাস্থ্য কেন্দ্ৰ, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু উপ-স্বাস্থ্য কেন্দ্ৰও পৰিদৰ্শন কৰিব আৰু বিভিন্ন চৰকাৰী আঁচনিৰ সা-সুবিধাসমূহ সধাৰণ ৰাইজে পাইছে নে নাই সেই বিষয়ে উমান ল'ব বুলি আমাৰ হাটশিঙিমাৰীৰ সংবাদদাতাই জনাইছে।

ooooooo

বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তৰ ১২৭ (ক) ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা কোকিলাবাৰী কেন্দ্ৰীয় কৃষি পাম সংযোগী পথৰ এখন দলং নিৰ্মাণৰ আধাৰশিলা কালি আনুষ্ঠানিকভাৱে স্থাপন কৰা হয়। বি টি আৰৰ কাৰ্যবাহী সদস্য মণ্টু বড়োৱে এই দলংখনৰ আধাৰশিলা আনুষ্ঠানিকভাৱে স্থাপন কৰে। বি টি চি আন্তঃগাঁথনি উন্নয়ন আঁচনিৰ ২০২৩-২৪ বৰ্ষৰ পুঁজিৰ অধীনত ১ কোটি ৭৮ লাখ ব্যয়সাপেক্ষ নিৰ্মাণ কৰিবলগীয়া এই দলংখন নিৰ্মাণ হৈ উঠিলে কোকিলাবাৰী কৃষি পামত উৎপাদিত সামগ্ৰী ৰাজ্য আৰু দেশৰ বিভিন্ন অঞ্চললৈ সৰবৰাহত সুবিধা হ'ব বুলি বাক্সা জিলাৰ সংবাদদাতাই জনাইছে।

ooooooo

উত্তৰাখণ্ডত অহা ২৮ জানুৱাৰীৰ পৰা ১৪ ফেব্ৰুৱাৰীলৈ ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া মহোৎসৱ অনুষ্ঠিত হ'ব। এইবাৰ ক্ৰীড়া মহোৎসৱত ৩৬ বিধ খেল অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰদৰ্শনীমূলক খেল হিচাপে মালখাম্ব, কালাৰিয়াপাটু, যোগাসন আৰু ৰাফটিঙক অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০

ৰাষ্ট্ৰীয় স্কুল গেমছৰ নেটবলৰ বাছনি প্ৰক্ৰিয়াত ৬৮ সংখ্যক স্কুল নেচনেল গেমছ্ নেটবলত অংশগ্ৰহণৰ বাবে ১৪, ১৭ আৰু ১৯ বছৰ অনূৰ্ধৰ ল'ৰা-ছোৱালীৰ শাখাত গোলাঘাট জিলাৰ কেইবাজনো খেলুৱৈ নিৰ্বাচিত হৈছে। সদৌ অসম নেটবল সন্থাৰ অন্তৰ্গত কেইবাখনো জিলাৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰা ৰাষ্ট্ৰীয় স্কুল নেটবল খেলত গোলাঘাট জিলাৰ হৈ অংশগ্ৰহণ কৰাৰ লগতে গোলাঘাট জিলা নেটবল সন্থাৰ সভাপতি অঞ্জন কুমাৰ বৰা আৰু সম্পাদক ঘনকান্ত গগৈৰ নেতৃত্বত যোৱা ল'ৰা আৰু ছোৱালী দলটোৰ ২১ গৰাকী খেলুৱৈ নিৰ্বাচিত হৈ গোলাঘাট জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে।

০০০০০০

বৰঝাৰৰ বতৰ বিজ্ঞান কেন্দ্ৰই জনোৱা বতৰৰ আগজাননী অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বতৰ ঘাইকৈ আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব। পুৱাৰ ভাগত সামান্য কুঁৱলী পৰিব। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৮ দশমিক ২ ডিগ্ৰী ছেলচিয়াছ আৰু সৰ্বনিম্ন আছিল ১৩ দশমিক ৪ ডিগ্ৰী ছেলচিয়াছ। আজি গুৱাহাটীত বতৰৰ বিশেষ তাৰতম্য নহয়।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগত অংশকালীন ব্ৰডকাষ্ট এছিছটেণ্ট নিয়োগৰ বাবে কাইলৈ দিনৰ ১০ বজাৰ পৰা বাতৰি বিভাগৰ সঞ্চালকৰ কক্ষত এটা WALK-IN INTERVIEW অনুষ্ঠিত হ'ব। প্ৰাৰ্থীসকল কাইলৈ পুৱা চাৰে ৯ বজাৰ ভিতৰত আকাশবাণী গুৱাহাটীৰ বাতৰি কক্ষত উপস্থিত হ'ব লাগিব। ২১ বছৰৰ পৰা ৪৫ বছৰ বয়সৰ স্নাতক প্ৰাৰ্থীয়ে এই সাক্ষাৎকাৰত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰাৰ্থীৰ কম্পিউটাৰ বিষয়ক সম্যক জ্ঞান, SOCIAL MEDIA অৰ্থাৎ সামাজিক মাধ্যমত কাম কৰাৰ অভিজ্ঞতা, আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠান সম্পৰ্কীয় সাধাৰণ জ্ঞান থকাৰ লগতে কণ্ঠ বাণীবন্ধন আৰু সম্পাদনাৰ জ্ঞান থাকিব লাগিব। প্ৰাৰ্থী গুৱাহাটী মহানগৰীৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বাস কৰা হ'ব লাগিব। এই বিষয়ে বিশদ জানিবলৈ ইচ্ছুক প্ৰাৰ্থীসকলে আকাশবাণীৰ জাননী ফলক চাব পাৰে।

০০০০০০০

**সমাপ্ত**